# দিছপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত কলাক্ষেত্ৰত 'কাৰেঙৰ লিগিৰী'

গুৱাহাটী, ৯ মে' ঃ অহা ১২ মে'ৰ সন্ধিয়া ছয় বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিছপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত অসমীয়া নাট্য কলাত অভিনৱত্ব প্ৰদানকাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বহু সমাদৃত 'কাৰেঙৰ লিগিৰী' নাটখন প্ৰদৰ্শন কৰিবলৈ আয়োজন কৰা হৈছে। বিশিষ্ট পৰিচালক মানিক আহমেদৰ দ্বাৰা পৰিচালিত আৰু দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত নাট সন্ধিয়া উদ্বোধন কৰিব শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। নাট্যানুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননীগোপাল মহন্তৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সেয়েহে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা আৰু মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিৰ আহ্বায়ক ড° সঞ্জীৱ কুমাৰ শৰ্মাই নাট্যপ্ৰেমী দৰ্শকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।